# Telephone conversation between Prime Minister and Prime Minister of Singapore

April 24, 2020

# ভাৰত আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল  24, 2020

23 এপ্ৰিল 2020 তাৰিখে প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী মহামহিম লী ছিয়েন লুংগৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই কভিড-19 মহামাৰীৰ ফলত দেখা দিয়া স্বাস্থ্য আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানসমূহৰ বিষয়ে মত বিনিময় কৰে। তেওঁলোকে এই মহামাৰী আৰু ইয়াৰ ফলত হোৱা অৰ্থনৈতিক আৰু সামাজিক প্ৰভাৱসমূহৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত পৰস্পৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে।

প্ৰধানমন্ত্ৰীয়ে ছিংগাপুৰক চিকিৎসা সামগ্ৰীসমূহকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীসমূহ যোগান ধৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সকলোধৰণৰ সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। ছিংগাপুৰত থকা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা সহায়ৰ বাবে প্ৰধানমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে।

বৰ্তমানৰ পৰিপ্ৰেক্ষিতত ভাৰত-ছিংগাপুৰৰ খৌশলগত অংশীদাৰিত্বৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে। কভিড-19-য়ে সৃষ্টি কৰা বৰ্তমান আৰু ভৱিষ্যতৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত দুয়োখন দেশে একলগে কাম কৰি যাব বুলি সহমত পোষণ কৰে।

প্ৰধানমন্ত্ৰীয়ে বৰ্তমান সংকটৰ সময়ছোৱাত ছিংগাপুৰৰ জনসাধাৰণৰ সু-স্বাস্থ্য আৰু কল্যাণৰ কাৰণে শুভকামনা জনায়।

**নতুন দিল্লী**
**এপ্ৰিল 24, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.